নং ঃ ১৬৯/২০২১

### নগাঁৱত জব্দকৃত ড্ৰাগছ বিনষ্টকৰণ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## অসমক ড্ৰাগছ সৰবৰাহৰ পথ হিচাপে ব্যৱহাৰ কৰাটো বন্ধ কৰি চৰকাৰে এক ৰাষ্ট্ৰীয় দায়িত্ব পালন কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৮ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি আৰু জব্দ কৰা ড্ৰাগছ দাহনৰ জৰিয়তে বিনষ্ট কৰি ৰাজ্য চৰকাৰে ৰাষ্ট্ৰৰ প্ৰতি নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰি আছে।

প্ৰায় ৩৬ কোটি টকাৰ জব্দকৃত ড্ৰাগছ বিনষ্টকৰণৰ বাবে আজি নগাঁও জিলাৰ বঢ়মপুৰৰ ৰঙাজান ষ্টেডিয়ামত আয়োজিত এক কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখন ‘সোণালী ত্ৰিভুজ’ৰ ওচৰত থকাৰ বাবে ই দীৰ্ঘদিন ধৰি দেশৰ আন প্ৰান্তলৈ ড্ৰাগছ সৰবৰাহৰ পৰিবহণ পথ হিচাপে ব্যৱহৃত হৈ আহিছে। ড্ৰাগ সৰবৰাহকাৰীসকলৰ বিৰুদ্ধে কাম কৰি চৰকাৰে কেৱল ড্ৰাগছ ব্যৱসায়ৰ ওপৰত প্ৰভাৱ পেলোৱাই নহয়, ৰাজ্যখনৰ মাজেৰে দেশৰ আন প্ৰান্তলৈ ড্ৰাগছৰ সৰবৰাহো বন্ধ কৰিবলৈ সক্ষম হৈছে।

জব্দকৃত ড্ৰাগছত অগ্নিসংযোগৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, “জব্দ কৰা ড্ৰাগছৰ জ্বলন্ত জুইয়ে আমাৰ চৰকাৰৰ ড্ৰাগছমুক্ত অসম আৰু ড্ৰাগছৰ বিৰুদ্ধে অভিযান অবিৰতভাৱে অব্যাহত ৰখা প্ৰতিশ্ৰুতিৰ প্ৰতীক। অসমক নিচাযুক্ত দ্ৰব্যৰ পৰিবহন পথ হিচাপে ব্যৱহাৰ কৰাটো আৰু আমাৰ যুৱক-যুৱতীসকলক নিষিদ্ধ ঔষধৰ চিকাৰ বনোৱাটো আমাৰ চৰকাৰে কেতিয়াও সহ্য নকৰে।”

উল্লেখযোগ্য যে যোৱা দুমাহ ধৰি ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্য চৰকাৰৰ আপোচহীন পদক্ষেপৰ ফলস্বৰূপে হেৰ’ইন, গাঞ্জা, অ’পিয়াম, কাফ চিৰাপৰ টেবলেট, মৰ্ফিন, পপী ষ্ট্ৰ আদিকে ধৰি বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰা হৈছে। সেয়েহে, চৰকাৰে ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ যাৱতীয় অনুমোদন সাপেক্ষে এন ডি পি এছ আইন, ১৯৮৫ অনুসৰি জব্দকৃত ড্ৰাগছসমূহ দাহনৰ মাধ্যমেৰে ইয়াক বিনষ্ট কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ‘সোণালী ত্ৰিভুজ’ৰ সৈতে অসমৰ ভৌগোলিক সুচলতাৰ সুযোগ লৈ কিছুমান অসামাজিক উপাদানে ৰাজ্যখনৰ ভূমিক ড্ৰাগছ সৰবৰাহৰ পৰিবহন পথ হিচাপে ব্যৱহাৰ কৰি আহিছে। ড্ৰাগস সৰবৰাহৰ বিৰুদ্ধে ৰাজ্য চৰকাৰৰ আপোচহীন স্থিতিৰ ফলস্বৰূপে ১৬৩.৫৮ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত জব্দ কৰা ড্ৰাগছ বিনষ্ট কৰাৰ ক্ষেত্ৰত আৰক্ষী প্ৰশাসন আৰু অসমৰ জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সমৰ্থনৰ

কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই কাৰ্যসূচীৰ প্ৰতি সমাজৰ স্বতঃস্ফূৰ্ত সমৰ্থনে অসমক দেশৰ আন প্ৰান্তলৈ ড্ৰাগছ পৰিবহনৰ পথ হিচাপে ব্যৱহাৰ কৰাটো বন্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰখনৰ প্ৰতিশ্ৰুতিবদ্ধতা আৰু ৰাষ্ট্ৰীয় কৰ্তব্যক অধিক শক্তিশালী কৰি তুলিছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে যোৱা দুদিনত ১৬৩.৫৮ কোটি টকাৰ জব্দকৃত ঔষধ ধ্বংস কৰাটোৱে ড্ৰাগছ ব্যৱসায়ত জড়িত ধনৰ পৰিমাণৰ ইংগিত বহন কৰে। ব্যৱসায়টোত জিএছটি ফাঁকিও অন্তৰ্ভুক্ত হৈ আছে, যি ৰাষ্ট্ৰৰ অৰ্থনীতিত আন এক কুঠাৰাঘাত। অসম চৰকাৰে এই ব্যৱসায়ৰ বিৰুদ্ধে পদক্ষেপ ল'বলৈ প্ৰতিশ্ৰুতিবদ্ধ। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ পৰা ড্ৰাগছ সৰবৰাহৰ ভয়াবহতা দূৰ কৰিবলৈ ৰাজ্য চৰকাৰে মণিপুৰ আৰু নাগালেণ্ড চৰকাৰৰ সৈতে সমন্বয়ৰে কাম কৰি আছে বুলিও তেওঁ উল্লেখ কৰে।

ড° শৰ্মাই লগতে কয় যে ড্ৰাগছৰ ব্যৱসায় আৰু সৰবৰাহৰ সৈতে জড়িত লোকসকলক কঠোৰতম শাস্তি প্ৰদান কৰিব লাগে। সেয়েহে অসম আৰক্ষীয়ে দেশৰ আইনৰ পৰিকাঠামোৰ ভিতৰত থাকি কোনোধৰণৰ সহানুভূতি অবিহনে ইয়াৰ লগত জড়িতসকলৰ বিৰুদ্ধে পদক্ষেপ লোৱা উচিত। ড্ৰাগছ আসক্তসকলৰ সন্দৰ্ভত বক্তব্য ৰাখি ড° শৰ্মাই কয় যে তেওঁলোকে যাতে স্বাভাৱিক অৱস্থালৈ ঘূৰি আহি এক স্বাভাৱিক জীৱন যাপন কৰিব পাৰে, তাৰ বাবে তেওঁলোকৰ সঠিক পুনৰ্সংস্থাপনৰ প্ৰয়োজনীয়তা আছে। তেওঁ লগতে কয় যে অসম আৰক্ষীয়ে ড্ৰাগছ আসক্তসকলক সমাজৰ মূলসুঁতিলৈ ঘূৰি অহাত সহায় কৰিবলৈ পুনৰ্সংস্থাপন কেন্দ্ৰ আৰম্ভ কৰাৰ ক্ষেত্ৰত আগভাগ লোৱা উচিত।

আজি নগাঁৱত অনুষ্ঠিত এই ড্ৰাগছ বিনষ্টকৰণ কাৰ্যসূচীত হেৰ'ইন, ব্ৰাউন চুগাৰ, গাঞ্জা, অ'পিয়াম, কাফ চিৰাপ, টেবলেট, এমফেটামাইন আদি বহুসংখ্যক নিচাযুক্ত সামগ্ৰী বিনষ্ট কৰা হয়।

আজিৰ অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, বিধায়কসকল ক্ৰমে জিতু গোস্বামী, ৰূপক শৰ্মা আৰু শশীকান্ত দাস, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰ জ্যোতি মহন্তকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

**সুঃদঃ / প্ৰঃকুঃবঃ**
**১৮/০৭/২০২১**